# BARA-BHUYAN.

(A chapter of the History of Assam)

By

Nakul Chandra Bhuyân

JORHAT

ASSAM.

1916

The Assam Publishing House
CALLY BUILDING
JORHAT.

PRINTED BY SHIBAPADA GHOSH-BARMAN,
AT
THE BANIK PRESS,
*60, Mirzapur Street, Calcutta.*

আসামৰ বুৰঞ্জীৰ এক আধ্যা।

# বাৰভূঞা।

( সংক্ষিপ্ত বিবৰণ। )

শ্রীনকুল চন্দ্র ভূঞা।

প্ৰকাশক—বাৰভূঞা সভা।

জোৰহাট।

১৯১৬

বেচ ।৵০ ছ অনা মাথোন।

# উপহাৰ-পিৰি।

শ্ৰী ________________________

________________________

এই পুথিখানি উপহাৰ দিলোঁ।

তাং ____________

____________ } শ্ৰী-

# উছৰ্গা।

অসমীয়া সাহিত্যিক পেঞ্চনাপ্ত,

"উষা" আৰু "বন্তিৰ" সম্পাদক

মাননীয়

শ্ৰীযুত পদ্মনাগ বৰুৱা ডাঙ্গৰীয়াৰ শ্ৰীকৰকমল যুগলত

এই অকণমানি কিতাপ খনি আন্তৰিক

শ্ৰদ্ধাৰে সৈতে অৰ্পণ

কৰিলোঁ।।

শ্ৰীনকুল।

# "পাতনি"।

আজি প্ৰায় দুবছৰ মান হ'ল, এই "আসামৰ বুৰঞ্জীৰ এক আধ্যা-বাৰভূঞা" খনি লিখি আলমাৰিত ভৰাই থোৱা। নানান জঞ্জালত পৰি, ইয়াক ৰাইজৰ আগলৈ উলিয়াব পৰা নাছিলোঁ। জোৰহাটৰ মাননীয় বাৰভূঞা সভাই জানিবা ইয়াক আজি ৰাইজৰ আগত ডাঙ্গি ধৰিছে সেই বাৰে সভাৰ ওচৰত মই চিৰ কৃতজ্ঞ ৰলোঁ।

বাৰভূঞা যে আসামৰ এটি প্ৰাচীন জাতি, এই কথা সকলোয়ে জানে; এই জাতিৰ বিষয়ে, মাজে মাজে "উষা" "বাঁহী", "আলোচনী" আৰু "আসাম বিলাসিনী" কাকতত আলোচিত হৈ গৈছে! গতিকে, আজি, আমি ৰাইজৰ আগত নতুন কথা এটা ডাঙ্গি ধৰা নাই। ই সকলোৰে চিৰ পৰিচিত।

এই কিতাপ খনি লিখোঁতে, মাননীয় শ্ৰীযুত পদ্মনাথ বৰুৱাৰ "আসামৰ বুৰঞ্জী," "বাৰভূঞাৰ বুৰঞ্জী" "৺ বংশী গোপালদেৱ চৰিত" আৰু অন্যান্য পুৰণি পুথিৰ বহুত সহায় লৈছোঁ। আৰু এই কিতাপ খনিৰ সম্বন্ধে ভালেমান কথা, পূজনীয়া ৺ৰী আইতাৰ মুখৰ পৰা শুনিছিলো। এতিয়া সকলোখিনি কথা, যত দূৰ পৰা যায়, শৃঙ্খলা কৰি ৰাইজৰ আগত ডাঙ্গি ধৰিছোঁ। ই, যদি স্বজাতি আৰু স্বদেশৰ কিবা অলপো উপকাৰ সাধে; তেনেহ'লে মোৰ শ্ৰমৰ কৃতাৰ্থ মানিম। ইতি—

জোৰহাট,
১-১২-১৬। } **শ্ৰীনকুল।**

# আসামৰ বুৰঞ্জীৰ এক আধ্যা।

## বাৰ ভূঞা।

( দশম শতিকাৰ আদিৰ পৰা ত্ৰয়োদশ শতিকাৰ মধ্য ভাগলৈকে। )

বাৰভূঞা সকল আসামৰ এক প্ৰকাৰ আদিবাসী। এওঁবিলাক কলিযুগৰ আদি ভাগতে আসামলৈ আহে। কেনো কেনোৱে দ্বাপৰ যুগত অহাতোও, সমৰ্থণ কৰে। কিন্তু, আমি কলিযুগত অহতোকে কওঁ। কাৰণ, বুৰঞ্জীয়ে কয়, কৌৰব পাণ্ডবৰ যুদ্ধৰ শেষত, পাণ্ডৱবিলাকে ৰণ জয় কৰাত, সেই যুদ্ধত, যতবিলাক বীৰ আৰু ৰজা পৰিল; তেওঁবিলাক সকলোৰে ৰাজ্য মহাৰাজা যুধিষ্ঠিৰৰ দণ্ডৰ তলত পৰিল। সেই ৰাজ্যবিলাকৰ লগত, আসামৰ ভগদত্ত আদি ৰজাবিলাক, ভাৰত যুদ্ধত মৃত্যু হোৱাত, আসাম ৰাজ্যও যুধিষ্ঠিৰৰ ৰাজ্যৰ লগত পৰিল।

পাণ্ডবৰ স্বৰ্গাৰোহণৰ পাচত, পৰিক্ষীৎ ৰজা হয়। পৰিক্ষীৎ অভিমন্যুৰ পুত্ৰ। তেওঁৰ জন্মেজয় আদি কৰি চাৰিজন পুত্ৰ হয়। পৰিক্ষীতৰ মৃত্যুৰ পাচত, ৰৰপুতেক

জন্মেজয় ৰজা হয়। এওঁৰো চাৰিজন পুত্ৰ হয়। এওঁৰ মৃত্যুৰ পাচত, ভায়েক তিনিজন আৰু পুতেক চাৰিজনৰ ভিতৰত, ৰাজ্যৰ নিমিত্তে কন্দল লাগে। অৱশেষত এই ভাৰত ৰাজ্যক বা জম্বুদ্বীপকে, সাতজনে সাত ভাগ কৰি, ৰাজ্য চলাবলৈ ল'লে।

আমাৰ পূৰ্ব্বভাগ আসাম (১) আদি কৰি, জন্মেজয়ৰ নুমলীয়া পুতেক বিক্ৰমাদিত্যৰ হাতত পৰে; আৰু তেওঁ নিজ বংশৰে মন্ত্ৰী মনোনীত কৰি লৈ, আসামলৈ আহে। ক্ৰমান্বয়ে, বহুত পুৰুষ ৰজা আৰু মন্ত্ৰী, ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে ৰাজত্ব কৰাৰ পাচত, তেওঁৰ ডালৰ আৰিমত্ত (২) ৰজা হয়। আৰিমত্ত ৰজাই মৃগয়া কৰোঁতে, পিতৃহত্যা কৰি, বহুত তীৰ্থ ফুৰি, মনত বৈৰাগ্য জন্মি, অৱশেষত দিখৌ নৈত আত্মহত্যা কৰিলেহি। (৩)

সমুদ্ৰ ঃ—আৰিমত্তৰ মৃত্যুৰ পাচত, ৰাজবংশত উপযুক্ত ৰাজকোৱঁৰ নথকাত, আৰিমত্ত ৰজাৰ উপদেশ মতে,

---

(১) পূৰ্ব্বে আসামৰ নাম আসাম নাছিল।

(২) আৰিমত্ত ৰজা যদিও পাণ্ডৱৰ বংশধৰ আছিল, সেই বংশৰ জীতাৰি নামৰ এজন বৰ প্ৰতাপশালী ৰজা হোৱাত; পাচত, ইয়াৰ নাম জীতাৰি বংশ হয়।

(৩) বৰ্ত্তমান মৰি দিখৌতে, আৰিমত্তে প্ৰাণ বিসৰ্জ্জন কৰিছিল।

জীতাৰিবংশ পাণ্ডববংশী।

মন্ত্ৰী ডালৰ সমুদ্ৰই, ৰাজ্যভাৰ লয়। সমুদ্ৰই ৰজা হয়ে, ৰাজ্যৰ সকলোবিলাক বিপ্লৱ, নিজ ভুজবলেৰে দমাই, দেশত শান্তি স্থাপন কৰাত, তেওঁ "ভূঞা" উপাধিৰে বিভূষিত হয়। ভূঞা শব্দৰ অৰ্থ যি ভূজবলেৰে ৰাজ্য-শাসন কৰে। সমুদ্ৰই সৰহ দিন ৰাজত্ব কৰিবলৈ নেপালে। কাৰণ, তেওঁ আদহীয়া অৱস্থাত হে ৰাজ্যভাৰ পাইছিল।

মনোহৰ ঃ—সমুদ্ৰৰ মৃত্যুৰ পাচত, তেওঁৰ এক মাত্ৰ পুতেক যুবৰাজ মনোহৰ ৰাজ্যত ৰজা হয়। এওঁ বৰ বিদ্বান আছিল। এওঁৰ দিনত ৰাজ্যত শান্তি দেবীয়ে বিৰাজ কৰি আছিল। পিতাকৰ ৰাজধানী বিশ্বনাথেই এওঁৰ ৰাজধানী আছিল। এওঁ, পূৰ্ব্বৰ বহুত বিষয়া ভাঙ্গি, নতুন বিষয়াৰে ৰাজসভা শোভিত কৰিছিল। মুঠতে, এওঁৰ দিনত, ৰাজ্যৰ শাসন-প্ৰণালী বহুত পৰিমানে শৃঙ্খলা হৈছিল। কব'লৈ গ'লে, বাৰভূঞাৰ আদি শাসন প্ৰবৰ্ত্তক এওঁহে।

লক্ষ্মী কুৱঁৰী ঃ—মনোহৰৰ সতি-সন্ততি বুলিবলৈ, লক্ষ্মী নামে এটি কন্যা আছিল। লক্ষ্মীৰ কোমল বয়সতে, পিতৃ মাতৃ হানী হোৱাত, তেওঁৱেই ৰাজ্য চলাব লগাত পৰে। এনেই তিৰোতা অবলা, তাতে কোমল বয়স। উপায়হীন হৈ তেওঁ, দুৰ্গা গোঁসানীক আৰাধনা কৰিলে। আৰু

সমুদ্ৰই প্ৰথমতে ভূঞা উপাধিৰে ৰজা হয়।
ভূঞাৰ অৰ্থ—যি ভুজবলেৰে ৰাজত্ব কৰে।

গোঁসানীয়ে, তেওঁৰ আৰাধনাত সন্তুষ্ট হৈ, তেওঁক এটি বীজ মন্ত্ৰ দিয়ে। পিতৃ মাতৃ বিয়োগ হওঁতে, তেওঁৰ বয়স মাথোন বাৰ বছৰ হৈছিল। লক্ষ্মী কুৱঁৰীয়ে যেতিয়া যৌৱনত ভৰি দিলেহি, তেতিয়া তেওঁ দেৱী দত্ত বীজ মন্ত্ৰ উচ্চাৰণ কৰি, সূৰ্য্য দেৱতাক আৰাধনা কৰে; আৰু সূৰ্য্য আহিলত তেওঁক স্বামী বৰণ কৰে।—আগেয়ে বাৰভূঞা সকলৰ উপৰি বংশ চন্দ্ৰবংশী বুলি খ্যাত আছিল। কিন্তু, সূৰ্য্যৰ সতি-সন্ততি সকল সেই দিন ধৰি সূৰ্য্যবংশী বুলি প্ৰখ্যাত হল। অইন কি এতিয়াও, বাৰভূঞা বিলাকে সূৰ্য্যবংশী বুলিহে চিনাকি দিয়ে (১)।

তেওঁ লোকৰ সম্ভোগত দুটি যঁজা পুত্ৰ হয়। ডাঙ্গৰটিৰ নাম শান্তানু; সৰুটিৰ নাম সুমন্ত বা স্যমন্ত থ'লে।—লক্ষ্মীক' সূৰ্য্যই গোটাদিয়েক মান বৰ দিয়ে। (যেনে, শান্তানু আৰু সুমন্তৰ বাৰ জনকৈ পুত্ৰ হৈ, বাৰভূঞা নামে অভিহিত হব, আৰু অখণ্ড প্ৰতাপে ৰাজত্ব কৰিব। আৰু লক্ষ্মীয়ে পচাঁশি বছৰ জীয়াই থাকিব ইত্যাদি।)—

(১)—আমি বাৰভূঞাৰ বুৰঞ্জী মতে এই কথা কেইষাৰ লিখিবলৈ বাধ্য। কাৰণ সেই সময়ৰ, সকলো ৰাজপৰিয়ালৰ বিবৰণ এনেকুৱাই আছিল। ইয়াৰ এটি বিশেষ প্ৰমান সূৰ্য্য দত্ত তাম্ৰাক্ষৰী কল্পতৰু শাস্ত্ৰ। কোনো কোনোৰ মতে, সূৰ্য্য আৰিমত্ত ৰজাৰ বংশৰ এজন ৰাজ কোঙৰ। কিন্তু, বাৰভূঞাৰ বুৰঞ্জীয়ে এইটো নকয়।

সূৰ্য্যই লক্ষ্মীক বীজ মন্ত্ৰেৰে পৰিপূৰ্ণ তাম্ৰাক্ষৰী কল্পতৰু শাস্ত্ৰ দিয়ে। এই শাস্ত্ৰ খনি অদ্য পৰিমিত, ৺দীনজয় সত্ৰত আছে বুলি শুনিছোঁ।

লক্ষ্মী কুৱঁৰী চাৰি কুৰি পাঁচ বছৰ জীয়াই আছিল। এওঁ প্ৰায় তিনি কুৰি বছৰ ৰাজত্ব কৰে। এওঁ প্ৰথমতে, পূৰ্ব্বৰ ৰাজধানী বিশ্বনাথৰ পৰা তুলি আনি, ৰঙ্গ গ্ৰামত পাতে; পাচত তাৰ ওচৰত, এখনি সুন্দৰ ৰাজধানী পাতে। তেওঁৰ নাম অনুযায়ী সেই ৰাজধানীৰ নাম লক্ষ্মীপুৰ হয়। আজিৰ উত্তৰ লখীম্‌পুৰেই পূৰ্ব্বৰ লক্ষ্মীপুৰ নগৰ।

শান্তানু কঠোৰ শাক্ত আৰু সুমন্ত মহান বৈষ্ণৱ আছিল। লক্ষ্মীৰ মৃত্যুৰ পাচত, বৈষ্ণৱ সুমন্তই, ৰাজ্য-ভাৰ আদিৰ আশা পৰিত্যাগ কৰি, তেওঁৰ পৰিয়ালৰ সৈতে, ৰামপুৰলৈ ভটিয়াই যায়। শান্তানুয়ে ৰাজসিংহাসন অধিকাৰ কৰে।

শান্তানুঃ—লক্ষ্মীৰ মৃত্যুৰ পাচত, শান্তানুয়ে ৰাজ্য-ভাৰ লয়। এওঁ, আগৰ বহুত পুৰণা বিষয়া ভাঙ্গি নতুন বিষয়া পাতে। এওঁ বৰ পৰাক্ৰমী বীৰ আছিল। এওঁৰ দিনত বহুত দাঁতি-কাষৰীয়া বৰাহী, মিৰি, মিছিমি ৰজাই, এওঁক কৰ শোধাইছিল। এওঁৰ বাৰজন পুত্ৰ হয়।—লহকৰ, কাব্যসী, পদ্ম বা পম, ৰায়, সলাল, শুক,

শান্তানুৰ বাৰজন পুত্ৰকে বৰ-বাৰভূঞা বোলে।

সুমন্তৰ বাৰজন পুত্ৰক সৰু-বাৰভূঞা বোলে।

টেটন, ধ্বজা, উজীৰ, সাৰোল, ৰমাই আৰু তমাই।- লক্ষ্মী কুৰঁৰী ৰাণী হৈ থাকোতে, কোঙৰ শান্তানুয়ে মাকক বহুত ৰাজকীয় কামত সহায় কৰি আহিছিল। মাকৰ মৃত্যুৰ পাচত, এওঁ, বহুদিন ৰাজত্ব কৰিবলৈ নেপালে। এওঁ, মৃত্যুৰ আগতে, পুতেক সকলক একতা মন্ত্ৰত দীক্ষিত কৰি, ৰাজ্যৰ সকলো কাম শিকাই, ভ্ৰাতৃ-বিৰোধ ভাব হৃদয়ৰ পৰা আঁতৰাই, সকলোটিয় একে লগে মিলি ৰাজ্য চলাবলৈ সুব্যবস্থা কৰি দিয়ে। আৰু, পুতেক সকলৰ মহা মিলন দেখি, তেওঁ অন্তিমত সুখেৰে আৰু আনন্দৰে স্বৰ্গী হয়।

বৰ-বাৰভূঞা—শান্তানুৰ বাৰজন পুত্ৰকে বৰ বাৰ-ভূঞা বোলে। শান্তানুৰ মৃত্যুৰ পাচত, এওঁবিলাক বাৰজনে, ভ্ৰাতৃ-স্নেহ আৰু একতা-প্ৰেমত বান্ধ খাই, একে সম-শক্তিৰে ৰাজ চ'ৰাত ৰাজ-গাদী অধিকাৰ কৰি, ৰাজকাৰ্য্য চলাবলৈ আৰম্ভ কৰে। এই বাৰজনৰ নামেই বাৰভূঞা নাম খ্যাত হয়। লহকৰ, এওঁবিলাক সবাৎকৈ জ্যেষ্ঠ ; সেই কাৰণে, ৰাজদণ্ড লহকৰৰ হাতত আছিল। মাতামহীৰ ৰাজধানী লক্ষ্মীপুৰেই এওঁবিলাকৰ ৰাজধানী আছিল। এওঁবিলাক গোঁসানীৰ মহাভক্ত আছিল। বাৰভূঞাৰ ৰাজ্য লোহিতকে সীমা কৰি, ভৰলুনৈ লৈকে আছিল। এওঁবিলাকে প্ৰবল প্ৰতাপেৰে সত্তৰী বছৰ ৰাজত্ব কৰে।

বৰ-বাৰভূঞা ফৈদ ৰাজ্যৰ অধিকাৰী আছিল।
সাধাৰণতে এওঁবিলাক বাৰভূঞা নমে অভিহিত।

বাৰভূঞা বিলাকৰ লগত চুটিয়া ৰজা বিজয়পাল, আৰু ৰত্নধ্বজৰ যুদ্ধ হয়। সেই যুদ্ধত বিজয়পালে, যুদ্ধত জিকা আশা নেদেখি, বাৰভূঞাৰ লগত বন্ধুত্ব কৰে। পোৱা যায়, ৰত্নধ্বজে বাৰভূঞা সকলক কিছুদিন কৰ শোধাই-ছিল। আৰু কোচ বংশৰ আদি ৰজা জন প্ৰথমতে বাৰ-ভূঞাৰ কৰতলীয়া আছিল! কমতাপুৰৰ খেনবংশী নীল-ধ্বজ ৰজাৰ লগতো, বাৰভূঞাৰ কেবাবাৰো ৰণ লাগিছিল। এবাৰ কিছুদিনৰ কাৰণ নীলধ্বজে, বাৰভূঞাক কৰ দিছিল। পাচত, কিবা কাৰণ বশতঃ, তেওঁবিলাকৰ মাজত বন্ধুত্ব হয়।

বাৰভূঞা বিলাকে যেতিয়া প্ৰবল প্ৰতাপেৰে চাৰিও পিনে দিগ্বিজয় কৰি ফুৰিবলৈ ধৰিল; তেতিয়া এই বাতৰি গৈ, সৌমাৰৰ ৰজা চুকাফাৰ কাণত পৰে। তেওঁ অনতিবিলম্বে, এজাক শিক্ষিত ৰণুৱা লৈ, লোহিতৰ পাৰত কোঠ মাৰি, বাৰভূঞাৰ বিপক্ষে যুদ্ধ ঘোষণা কৰিলে (১)।

---

(১) বাৰভূঞা বুৰঞ্জীত পোৱা যায় যে, বাৰভূঞা বিলাকে নিজ ঐশ্বৰ্য্য, আৰু বীৰত্বৰ গপত, মহামায়া গোঁসানীক পূজা কৰিবলৈ আওকাণ কৰিলে। সেই কোপতে, গোঁসানীয়ে বাৰ-ভূঞাক বিসৰ্জ্জন দি, চুকাফা ৰজাক ৰাতি সপোন দেখুৱাই, বাৰভূঞাৰ বিপক্ষে যুদ্ধ ঘোষণা কৰোৱায়। আৰু গোঁসানীৰ বৰতে আহোমে জয়লাভ কৰে।

ৰণোন্মত্ত বাৰভূঞাবিলাকে এই বাতৰি পাই, আহোমৰ লগত যুদ্ধ দিবলৈ ওলাল। দুই দলৰে প্ৰায় এঘাৰ দিন ভীষণ যুদ্ধ হয়। সেই যুদ্ধত উভয় পক্ষৰ বহুত ধনজন হানী হয়। এই যুদ্ধ প্ৰায় ১২৩৫ কি ৩৭ খৃঃ—আদ্ৰৃত হয়। প্ৰথমতে বাৰভূঞাবিলাকে আহোমক হৰুৱাই, দশম দিনাৰ যুদ্ধত, ৰণ জয়ী হ'লোঁ যেন ভাবি তেওঁ-বিলাকে অনেক আনন্দ উৎসৱত মগ্ন হৈ থাকোতে, একাদশ দিনা অৰ্থাৎ পাছদিনা, তেওঁবিলাকক সেই অৱস্থাত,আহোমে আহি ভীষণ ৰূপে আক্ৰমন কৰিলেহি; কিন্তু, তেওঁবিলাক যুদ্ধৰ কাৰণ সাজুহৈ নথকাত, সেই দিনা আহোমৰ হাতত বন্দী হ'বলৈ বাধ্য হয়। এই যুদ্ধত বাৰভূঞা সকলে অশেষ বীৰত্ব দেখুৱাইছিল। প্ৰথমতে, এওঁবিলাকৰ বীৰত্বত আহোমে জয় আশা এৰিয়েই দিছিল পাচত, আহোমে দ্বিগুণ উৎসাহেৰে আক্ৰমন কৰি বাৰ-ভূঞাক পৰাজয় কৰে।

যুদ্ধৰ পাচত, এওঁবিলাকক প্ৰথমতে, বহুত বুজাই বৰাই, অৱশেষত বহুত বিপদত পেলাইও (১) সৌমাৰৰ

(১) বাৰভূঞাৰ বুৰঞ্জীত পোৱা যায়, আহোম ৰজাই বাৰ ভূঞাৰ একতা বান্ধোন গুচাবলৈ, বহুত যত্ন কৰিছিল। অইন কি দিহিং নৈত নাৱঁত তুলি এডাল ব'ঠাৰে উটাই দিছিল। কাৰণ তেওঁবিলাকে যেই সেই কাম কৰিলে, বাৰও জনে কৰে, নকৰিলে

ইয়াৰ পাচত বাৰভূঞাৰ আহোমৰ লগত বন্ধুত্ব হ'ল।

ৰজাই বশ মনোৱাব নোৱাৰিলে। মহাৰাজা চুকাফাই, বাৰভূঞা সকলৰ ওপৰত বিৰক্ত হৈ, অৱশেষত শদিয়াৰ শ্যামা কালীৰ আগত বলি দিবলৈ কটোৱালৰ হাতত পঠিয়াই দিয়ে। গোঁসানী ভক্ত বাৰভূঞাক বিশেষ কাৰণত বলি দিব নোৱাৰিলে; আৰু, ইপিনে চুকাফা ৰজাই, ৰাতি সপোন দেখি (১) তেওঁবিলাকক পুনৰ সৌমাৰৰ ৰাজধানীলৈ আনি উভয়ে সন্ধি কৰে। সেই সন্ধিত, বাৰভূঞা সকলে আহোমৰ চুকাফা ৰজাক মহা-ৰাজা বুলি স্বীকাৰ কৰি, আহোমৰ বশ হয়। আৰু মহা-ৰাজা চুকাফাই, তেওঁবিলাকৰ স্বাধীনচেতা বীৰত্বত মুগ্ধ হৈ ৰাজোচিত ব্যবহাৰ কৰি, ৰাজচ'ৰাত প্ৰধান মন্ত্ৰীৰ সৈতে সমানে আসন দিবলৈ সমৰ্থণ কৰে। আৰু, তেওঁ-বিলাকক কিছুদিন ৰাজ সভাতে সভাসদ স্বৰূপে ৰাখে। সেই সময়ত বাৰভূঞাই, তেজস্বী আহোম ৰজাৰ ফলীয়া হৈ,

---

এজনেও নকৰে। এনেতে, এবাৰ ৰাজ দঁৰিত এটা বেজি আনিব লগীয়া হোৱাত, এওঁবিলাক বাৰও জনে এডাল কল গছত বেজিটো সী ভাৰ বান্ধি আনিছিল।

(১) বুৰঞ্জীমতে, গোসানীয়ে ৰাতি সপোনত গোঁসানী ভক্ত বাৰভূঞাক বলি নলওঁ বুলি বহুত থং কৰে; আৰু বাৰভূঞাক সপোনত ৰজাৰ বশ হবলৈ আজ্ঞা দিয়ে। এই বিলাক কিম্বদন্তি হ'লেও, বাৰভূঞাৰ স্বাধীনচেতা বীৰত্ব, বেচ প্ৰমাণ হৈ ওলাইছে।

আকৌ দিগ্বিজয় কৰিবলৈ ধৰিলে। এই দিগ্বিজয় কৰি ফুৰোতেই, বাৰভূঞাবিলাকে বহুত দাঁতি কাষৰীয়া ৰজাক আহোমৰ অধীন কৰি দিয়ে। তেওঁবিলাকে সেই সময়ৰ কামৰূপৰ ৰজাক আহোমৰ কৰতলীয়া কৰে; আৰু চুটিয়া ৰজাৰ সেনাপতি ধীৰ নাৰায়ণৰ সৈতে সা-দিন যুদ্ধ কৰি, তেওঁক বধ কৰি, আকৌ বাৰভূঞা সকল জন সমাজত প্ৰখ্যাত হৈ উঠিছিল। কিন্তু, তেওঁবিলাক এই অলপদিনৰ ভিতৰতে ইমান ৰাজভক্ত হৈ উঠিছিল যে, তেতিয়াও তেওঁবিলাকে আহোম ৰজাৰ অধীনেহে চলিছিল।

এই দৰে, বাৰভূঞা সকলে, আহোমৰ হৈ, বহুত কাম কৰি দিয়াত, স্বৰ্গদেউ চুকাফাৰ নিচেই আত্মীয় হৈ উঠিল। স্বৰ্গদেউ চুকাফাই, তেওঁবিলাকৰ বীৰত্ব আৰু ৰাজ ভক্তিত মুগ্ধ হৈ, উত্তৰ পাৰৰ উত্তৰ লখীমপুৰ আৰু কলাবাৰী আদি ঠাইত, বাৰ খণ্ড সৰু সৰু ৰাজ্য কৰি, আহোমৰ তলে কৰতলীয়া হৈ ৰাজত্ব কৰিবলৈ দিয়ে। এই বাৰ খণ্ডৰ ভিতৰৰ কলাবাৰী, গহপুৰ, কলংপুৰ, নাৰায়ণপুৰ আদিয়েই প্ৰখ্যাত আছিল। কলাবাৰী খণ্ড লহকৰৰ ভাগত আছিল। কলাবাৰীত লহকৰৰ সতি সন্ততিয়ে ভালেমান পুখুৰি, আলি, গড়, তৈয়াৰ কৰাইছিল। যদিও, তেওঁবিলাকে বেলেগে ২ ৰাজ্য কৰিছিল,তত্ৰাছও,সকলো-

আহোমৰ কৰতলীয়া হৈ, বাৰখণ্ড ৰাজ্যত বাৰভূঞা থাকে।

টিয়ে মিলি, ৰাজকীয় বিষয়ে মন্ত্ৰনা কৰিছিল। এই মন্ত্ৰণা প্ৰায়েই কলাবাৰীত বহিছিল। এই কাৰণেহে কলাবাৰী এওঁবিলাকৰ ৰাজধানী বুলি বিখ্যাত হয়।—ইমান দিনতে, আহোমৰ কৰতলীয়া হ'লত, বাৰভূঞা ৰাজ্যৰ নিৰ্ম্মল আকাশৰ স্বাধীন সূৰ্য্যক পৰাধীন ডাৱৰে ঢাকিলেহি।

বাৰভূঞাৰ কাম ঃ—বাৰভূঞাবিলাকে, আৰিমত্ত ৰজাৰ টকা মোহৰৰ ধৰণে, তেওঁবিলাকে নিজৰ নামে টকা মোহৰ মৰাইছিল। কিন্তু, আজি কালি, সেই বিলাক অতি দুষ্প্ৰাপ্য। এওঁবিলাকে প্ৰজাৰ হিতৰ কাৰণে আলি পুখুৰি কৰাই দিছিল। সেই আলি পুখুৰি “বে-মেৰামত” অৱস্থাত উত্তৰ পাৰে, আজি কালিও দেখা যায়। কথিত আছে এসময়ত, ৰাজ্যত বৰষুণ নহৈ, আকালত শই ২ প্ৰজাৰ মৃত্যু হোৱাত, বাৰভূঞা সকলৰ সৰ্ব্বজ্যেষ্ঠ লহকৰৰ ফৈদৰ এজনে, ৰাতি সপোনত দেখি, এটি তৰুণী বোৱাৰীক, এটা বৰ পুখুৰি খনাই জল কোঙৰক দিছিল; আৰু সেই বিশ্বাস মতে হেনো, ৰাজ্যত উপযুক্ত বৰষুণ হৈ, বহুত প্ৰজাৰ প্ৰাণ ৰক্ষা হয়। সেই পুখুৰিটি অদ্য পৰিমিত “লহকৰৰ বোৱাৰী দিয়া পুখুৰি” বুলি, গহপুৰৰ কলাবাৰী অঞ্চলত খ্যাত।

বাৰভূঞাৰ কৰতলীয়া অৱস্থা ঃ—লহকৰ আদি বাৰভূঞাৰ লোকান্তৰৰ পাচত, তেওঁবিলাকৰ সতিসন্ততি

আহোম-বাৰভূঞাৰ মিলাপ্ৰীতি জয়ধ্বজ সিংহৰ দিনলৈকে আছিল।

বিলাকে, পৈতৃক ৰাজ্যত আহোমৰ কৰতলীয়া হৈ, ভালেমান আহোম ৰজাৰ দিনলৈকে চলিছিল। ইতিমধ্যে জনদিয়েক মান ভূঞাই আহোমৰ ৰাজ্য পাৰ হৈ, কোচ ৰজাৰ ৰাজ্যৰ সীমাত, স্বাধীন ভাৱে ৰাজত্ব কৰিছিল। এওঁবিলাকৰ ভিতৰত কেবা জনো বৰ প্ৰতাপী ভূঞা আছিল। তাৰ ভিতৰৰে, কলাবাৰীৰ লহকৰৰ

জয় আৰু ডালৰ জয় ভূঞা, আৰু উত্তৰ লখীম্পুৰৰ

মহী, উজীৰৰ ডালৰ মহীভূঞা বৰ প্ৰতাপী আছিল।

এনেতে বাৰভূঞা বিলাকৰ লগত, আহোমৰ মনোমালিন্য ঘটে। ১৬৬২ খৃঃ—আব্দত, যেতিয়া দিল্লীৰ বাদশ্যাহ আওৰংজেবৰ সেনাপতি, মিৰ্‌জুম্লাই আহি, আহোমক হৰুয়াই ৰাজ্য কাঢ়ি লয়হি, তেতিয়া আহোমে পূৰ্ব্বৰ ৰীতি মতে, বাৰভূঞাক সহায় খুজিলে। কিন্তু, বাৰভূঞা বিলাকে আৰু তেওঁবিলাকৰ তলতীয়া আবৰ, ডফলা আদি জাতিয়ে, সেই যুদ্ধত আহোমক সহায় নকৰিলে। ইয়াৰ পাচত, পুনৰ ১৬৬৩ খৃঃ—আব্দত, বাৰিষা আহোম আৰু মুছলমানৰ যুদ্ধ হয়। আৰু শেষত, সন্ধি কৰি জয়ধ্বজসিংহৰ নিজ কন্যা ৰমণী গাভৰুক, বহুত বয়-বস্তুৰে, দিল্লীৰ বাদশ্যাহালৈ সালেঙ্কৃতা কৰি দি পঠিয়ালে।

কিন্তু, আহোমৰ এই মনক্ষোভ নাতৰিল। সেই

বছৰৰ খৰালি, পুহ মাঘ মহীয়া জয়ধ্বজসিংহই বুঢ়াগোঁহাইক এদল সেনা দি, উত্তৰ লখীমপুৰত মহীভূঞাক আক্ৰমণ কৰে। সেই যুদ্ধত প্ৰায় সকলো বাৰভূঞাৰ সন্ততি গোট খাইছিল। কলাবাৰীৰ জয়ভূঞা, এই যুদ্ধত বাৰভূঞাৰ সেনাপতি আছিল। যুদ্ধত যেতিয়া আহোম বিলাকে ঘটা যেন দেখিলে, বুঢ়াগোঁহাই ডাঙ্গৰীয়াই, বাৰভূঞাৰ আগত তেতিয়া সন্ধি প্ৰস্তাব কৰিলেহি। উভয় দলে পূৰ্ব্বৰ মতে, মিলাপ্ৰীতিৰে থাকিবলৈ সন্ধি কৰিলে। (এই সন্ধিক কোনো কোনোৱে ব্ৰহ্ম সন্ধি বোলে, কাৰণ ব্ৰহ্মপুত্ৰৰ পাৰত এই সন্ধি হয়। (১)) এই যুদ্ধত বাৰভূঞাক আবৰ ডফলা জাতিয়ে বিস্তৰ সহায় কৰিছিল হি। যুদ্ধৰ শেষত, সিহঁতক বাৰভূঞাই, পৰ্ব্বতৰ দাঁতিত কিছুমান মাটি বিনা কৰে ভুগিবলৈ দিয়ে। এতিয়াও, অকস্মাত, সেই মাটিৰ বিষয়ে কিবা গণ্ডগোল হ'লে; সিহঁতে "এই মাটি আমাক নিগম ৰজাই দিয়া" বুলি স্বত্ব এৰি নিদিয়ে। কাৰণ, সিহঁতে আহোমক "আগম ৰজা" আৰু বাৰভূঞাক "নিগম ৰজা" বুলি মানিছিল।

ভূঞাহাট (২) ঃ—আহোম ৰজা স্বৰ্গদেউ বুদ্ধি স্বৰ্গ নাৰায়ণৰ দিনত, বাৰভূঞা সকলৰ অবস্থা বৰ শোচনীয়

(১)—এই বিলাক কথা পূজনীয়া ৺ বী আইতাৰ মুখে শুনা।

(২) ভূঞাহাটৰ দৰে শিৱসাগৰৰ বেতবাৰী ও বাৰভূঞাৰ কোঠ আছিল বুলি জনা যায়। তাত হেনো এবাৰ বাৰভূঞা সকলে

হৈছিল। কাৰণ, পূৰ্ব্বৰ ধৰ্ম্ম-বিবাদ পুনৰ ৺ শঙ্কৰদেউৰ লগত লাগিছিল। এনেতে কিবা দোষত, আহোম ৰজাই ৺ শঙ্কৰদেউৰ ফৈদৰ ভূঞা বিলাকক আৰু তেওঁৰ প্ৰিয় শিষ্যবৰ্গক হাতী ধৰা কামত লগাবলৈ হুকুম দিছিল। আৰু সেই কামত গাফিলি কৰা কেবাজনৰো প্ৰাণ দণ্ডৰ হুকুম হ'ল। এই বাতৰি যেতিয়া কলাবাৰী আদি ঠাইৰ বাৰভূঞা বিলাকে শুনিলে; তেওঁবিলাকে জাতীয় প্ৰেমত, আহোম ৰজাৰ বিপক্ষে, অস্ত্ৰ ধাৰণ কৰিবলৈ মন্ত্ৰণা কৰি, এদল বাৰভূঞাই, বেশ-ছন্ন কৰি, মনে মনে জাঁজী নৈয়ে উজাই আহি, বৰ্ত্তমান ভূঞাহাটত কোঠ মাৰিবলৈ মনস্থ কৰি, তাতে ৰ'লহি। পাচে বুদ্ধি স্বৰ্গনাৰায়ণ সিংহই গুপ্তচৰৰ মুখে, এই সম্বাদ পাই ভূঞা-হাটত ৰোৱাহি,—বাৰভূঞা সকলৰ তালৈ অহাৰ কাৰণ সুধিলে। তেওঁবিলাকে ৰাজ প্ৰশ্নৰ উত্তৰত, "আমি ইযাত হাট কৰিবলৈ আহিছোঁ।" বুলি ক'লে। আৰু তেওবিলাকক স্বৰ্গদেৱে হাট এৰি যাবলৈ আদেশ দিলে। বাৰভূঞবিলাকে নিজৰ বুদ্ধি ধৰা পৰি তাৰপৰা যাবলৈ বাধ্য

---

আহি, বেতেৰে গড় মাৰি আহোম ৰজাৰ বিপক্ষে যুদ্ধ ঘোষণা কৰিছিল। কাৰণ, বেতৰ গাঁথনিত তীৰ বা বন্দুকৰ গুলি সততকাই নোসোমায়। এই কাৰণেই, এই ঠাই বেতবাৰী বুলি প্ৰখ্যাত হ'ল। কিন্তু, কোন সময়ত আহি এওঁ বিলাকে বেতেৰে গড় মাৰিছিল তাৰ নিশ্চিত সময় পোৱা নেযায়।

হ'ল। সেই দিনাবধি সেই ঠাই ভূঞাহাট বুলি প্ৰখ্যাত হ'ল। ইত্যাদি কাৰণত স্বৰ্গদেউ বুদ্ধি স্বৰ্গনাৰায়ণৰ বাৰভূঞা সকলৰ (১) ওপৰত সন্দেহ হ'ল। ইতিমধ্যে, উত্তৰ পাৰে বাৰভূঞা সকলে, আহোমৰ যুৰলি মুৰ-পোলোকা দি সৰু-সুৰা বিদ্ৰোহ কৰিবলৈ আৰম্ভ কৰিলে। বুদ্ধি স্বৰ্গনাৰায়ণে ১৬৭৪ খৃঃ আব্দত, তেওঁবিলাকৰ বিদ্ৰোহ দমন কৰি, তেওঁবিলাকৰ লগত নতুন সন্ধি স্থাপন কৰিলে। আৰু ডাঙ্গৰীয়া তিনি জনক (২) বাৰভূঞাৰ ৰীতি নীতিত, বিশেষ চকু ৰাখিবলৈ স্বৰ্গদেৱে আদেশ দিলে। ইয়াৰ পাচৰ পৰা, বিশেষকৈ জয়ধ্বজ সিংহৰ পাচৰ পৰা, বাৰভূঞাৰ তেজ আৰু কমি আহিবলৈ ধৰিলে। ক্ৰমান্বয়ে তেওঁ বিলাকৰ ভিতৰত ভ্ৰাতৃবিৰোধ হবলৈ ধৰিলে।

ইয়াৰ পাচত, তেওঁবিলাকে নিজ বংশৰ পৰিচয় দিওঁতে, সৌৰ্য্য বীৰ্য্যেৰে নিদি, সাধাৰণৰ দৰে মুখেৰেহে দিবলৈ ধৰিলে।

---

(১)—বাৰভূঞাৰ সন্তান বিলাকে এতিয়া বাৰভূঞা বুলি চিনাকি দিয়ে।

(২)—বুঢ়াগোঁহাই, বৰগোঁহাই, বৰপাত্ৰগোঁহাই, এই তিনি জন আহোমৰ প্ৰধান মন্ত্ৰী আৰু ডাঙ্গৰীয়া আছিল।

এই খিনিতে আৰু এটি কথা কোৱা যুগুত যে, আহোম, চোৰাংচোৱা প্ৰণালীত উন্নত আছিল। কাৰণ, যেতিয়া আহোম ৰজা বুদ্ধিস্বৰ্গনাৰায়ণে, জানিলে যে, বাৰভূঞা সকলে স্বাধীন

১৬ ৺বংশী গোপালদেৱে বাৰভূঞাক ভাগৱতী ধৰ্ম্ম দিয়ে।
বাৰভূঞাই ব্ৰাহ্মণৰ বাহিৰে অন্যক সেৱা নকৰা প্ৰতিজ্ঞা আছিল।

বাৰভূঞা আৰু ভাগৱতী ধৰ্ম্ম, ঃ—বাৰভূঞা বিলাকে ৺বংশীগোপালদেৱক লগ নোপোৱালৈকে, ঘোৰ শাক্ত হৈ আছিল। প্ৰথমতে এওঁবিলাক মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ ভাগৱতী ধৰ্ম্মৰ বিৰোধী আছিল; আৰু এই ধৰ্ম্ম নলৈছিল। কেবাবাৰো শ্ৰীশঙ্কৰদেৱে, এওবিলাকক তেওঁৰ ধৰ্ম্ম ল'বৰ কাৰণে, যত্ন কৰি অনেক প্ৰবোধ দিছিল। মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে, এবাৰ ৺কমলাবাৰী সত্ৰত, (থান্ কৰি থাকোঁতে,) সকলোটি বাৰভূঞাক একে লগ কৰি, এটা ডাঙ্গৰ ভোজ দিছিল; আৰু তেওঁৰ ধৰ্ম্ম লবৰ কাৰণ অনেক পুৰুষাৰ্থ কৰিছিল। কিন্তু এওঁবিলাকৰ ওচৰত, সেই সকলো চেষ্টা বৃথা

---

হ'বলৈ চেষ্টা কৰিছে, তেতিয়া ৰজাই বৰগোঁহাই ডাঙ্গৰীয়াক বাৰভূঞাক দমাবলৈ আদেশ দিলে। বৰগোঁহায়ে ৰাজাজ্ঞ পাই, প্ৰথমতে, তেওঁ উত্তৰ পাৰে, বাৰভূঞাৰ মাজলৈ গল, আৰু ক'লে "মোক ৰজাই নিৰ্ব্বাসিত কৰিছে। আপোনালোকে আশ্ৰয় নিদিলে মোৰ নিস্তাৰ নাই।" তেওঁৰ কুট বাক্যত মোহ গৈ, বাৰভূঞা সকলে বুকু ডাঠি, "ক্ষত্ৰিয়ৰ আশ্ৰীতক আশ্ৰয় দিয়াই আই ধৰ্ম্ম" বুলি তেওঁক সাবতি ল'লে। এই অৱসৰতে, বৰগোঁহায়ে, তেওঁবিলাকৰ ৰীতিনীতি ভালকৈ বুজি, এদিন তেওঁবিলাকক ভোজ খাবলৈ নিমন্ত্ৰণ কৰিলে; ভোজত গড়া মাৰোঁতেই লুকাই থকা সৈন্য ওলাই, তেওঁবিলাকৰ লগত ৰণ কৰিলে। বাৰভূঞা সকল যুদ্ধত প্ৰস্তুত নথকাৰ কাৰণ হাৰিবলৈ বাধ্য হ'ল। এই হেছাত বাৰভূঞাৰ বহুত পৰিমাণে বল কমিলে।

বাৰভূঞা, কোচ, কছাৰি, চুটিয়া, আৰু আহোম,

হৈছিল। ৺বংশীগোপালদেৱে লগ পাই, এওঁবিলাকক ভাগৱতী ধৰ্ম্মৰ ফালে আনে। এওঁবিলাকে ৺বংশী গোপালদেৱক, আৰু উত্তৰাধিকাৰীজন দিয়েক মানক বহুত বাৰ শঙ্কটত উদ্ধাৰন কৰিছিল; আৰু কলাবাৰীত এখনি সএও কৰি দিছিল।

সৰহভাগ বাৰভূঞাই, ৺গড়মূৰ, আৰু ৺কুৰুৱাবাঁহী সএৰ শিষ্য হৈছিল। কিছুমান ৺আউনীআটী আৰু ৺দক্ষিণপাট সএৰ শিষ্য হৈছিল। কাৰণ, তেওঁবিলাকৰ, ব্ৰাহ্মণৰ বাহিৰে অইনক সেৱা নকৰিবলৈ প্ৰতিজ্ঞা আছিল। তেওঁবিলাকে ব্ৰাহ্মণকহে শিক্ষাগুৰু, দীক্ষা-গুৰু বুলি মানিছিল। ৰাজ্যৰ পৰা সিচৰি বিচৰি হৈ যোৱা নিচেই তাকৰ ভাগহে অন্যান্য গোঁসাইৰ শিষ্য হৈছিল। সিও, বহুদিনৰ পাচত নিচেই জুৰুলা অৱস্থাত হে। কিন্তু, বাৰভূঞাৰ মানত ই এটা অপমান জনক আছিল।

---

বৰ বাৰভূঞা ফৈদৰ শেষ অৱস্থা ঃ—

ক্ৰমান্বয়ে, যেতিয়া বাৰভূঞা সকল তেজ, বল, শক্তিৰ ক্ষীণ হৈ আহিল, আৰু তেওঁবিলাকৰ ভিতৰত গৃহ কন্দলে ঠাই ললে; তেতিয়া তেওঁ বিলাক, আহোমৰ শেষ ভাগ ৰাজত্বত, নিচেই জুৰুলা অৱস্থাত পৰিণত হ'ল।—কিছু-

মানে আহোম ৰজাৰ তলে, বৰুৱা, ফুকন আদি বিষয় লৈ, কাল যাপিবলৈ ধৰিলে। কিছুমানে দুই এখন গাৱঁৰ ওপৰত, সৰু সৰু শাসনকৰ্ত্তা হৈ, দিন নিয়াবলৈ ধৰিলে। আৰু কিছুমানে আহোম ৰজাৰ সৈতে বিবাদ কৰি, কোচ ৰজাৰ অধীনলৈ গ'ল। এনে ধৰণৰ শাসনকৰ্ত্তা হৈ থকা, স্বৰ্গদেউ শিৱসিংহ, ৰাজেশ্বৰসিংহৰ দিনলৈকে, আছিল বুলি জনা যায়। মানৰ আক্ৰমনত তাৰো মুদা মৰিল।

বাৰভূঞা সকলে জাতীয় গৌৰবক বৰ বেচিকৈ শ্ৰদ্ধা কৰিছিল আৰু কৰে। কাৰণ, তেওঁবিলাকৰ যি সকলে, আহোম ৰজাৰ ফুকন বৰুৱা বিষয় লৈছিল ; সেই সকলেও, জন সমাজত, ( ফুকন, বৰুৱা বুলি নকৈ, ) বাৰভূঞাৰ সন্ততি বুলিহে চিনাকি দিয়ে।

মানৰ দিন ঃ—মানৰ দিন বোলা সময় ফেৰা, আসামৰ এটি ভয়ঙ্কৰ সময় আছিল। অসমীয়া মাত্ৰই, মানৰ দিন বুলিলে বেচ বুজে দুনাই ইয়াত বঢ়াই কোৱাৰ একো সকাম নাই। মানৰ দিনত যে, বাৰভূঞাবিলাক সুদাই সাৰিছিল এনে নহয়। তেওঁবিলাকো মানৰ দিনৰ দুখ-সুখৰ সমভাগী আছিল। মানৰ প্ৰথম দুটা হেচাই, যদিও বাৰভূঞা বিলাকক নেপাইছিলগৈ ; কিন্তু, শেহৰ হেছা-টোয়ে বাৰভূঞাবিলাকক ভালকৈয়ে এজোকোৰা দিলে। তাৰ ফলত, যি এজন বাৰভুঞা সন্ততিয়ে, শাসনকৰ্ত্তা হৈ আছিল, তেওঁবিলাকে চিৰকলীয় ঘৰ দুৱাৰ এৰি, হাবি

কাঠণিত লুকাই, থাকিব লগীয়া হৈছিল। কবলৈ গ'লে বাৰভূঞাৰ যি অলপ প্ৰতিপত্তি আছিল, সিও মানৰ গ্ৰাসত অন্ত পৰিল। যেতিয়া ১৮২৩ খৃঃ, কেপ্টেইন ৰিচাৰ্ড চাহাবে আহি, মানহঁতক আসামৰ পৰা, খেদি দিলেহি; তেতিয়াহে পুনৰ আসামত শান্তি স্থাপন হ'ল।

বৃটিচৰ দিন ঃ—বৰ-বাৰভূঞা ফৈদে, নিজৰ স্বাধীনতা সৌমাৰৰ আহোম ৰজাৰ হাতত হেৰুৱাৰ;—পাচত আৰু সেই মহা যুদ্ধত, চুকাফা ৰজাৰ সৈতে যি সন্ধি হৈছিল, সেই সন্ধিমতে, স্বৰ্গদেউ জয়ধ্বজসিংহৰ দিনলৈকে, উভয়পক্ষে মিলা-প্ৰীতিৰে চলিছিল। ইয়াৰ পাচৰ পৰা প্ৰায়েই বাৰভূঞা বিলাকৰ লগত আহোমৰ মন্বান্তৰ ঘটিবলৈ ধৰিলে। ইয়াৰ পাচত অস্তাদশ শতিকাত, বাৰভূঞাবিলাক একেবাৰে আহোমৰ তলতীয়া হৈ পৰিল। তেতিয়াৰ পৰা তেওঁবিলাক, শাসন সংক্ৰান্ত বিভাগত আহোমৰ প্ৰতিনিধিৰ তলতীয়া হ'বলৈ বাধ্য হ'ল। কিছু-মানে কোচৰজাৰ অধীনত কৰতলীয়া শাসনকৰ্ত্তা হৈ দিন নিয়াবলৈ ধৰিলে।—এনেতে, মানৰ তৃতীয় বাৰ আক্ৰমনত, দেশৰ ৰজা প্ৰজা সকলো জুৰুলা হোৱাত, বাৰভূঞাৰ গতিও, তেওঁবিলাকৰ দশাত পৰিণত হ'ল। যেতিয়া, ১৮২৭ খৃঃ—আব্দৰ, ইয়াণ্ডাবু সন্ধিত, বৃটিচ ৰাজছত্ৰৰ শান্তি-ছাঁয়া আসামত পৰিল; তেতিয়া সকলো অসমীয়াই,

নিশ্চিন্ত মনেৰে, মুকলি দুৱাৰে, শান্তি ভোগ কৰিবলৈ ধৰিলে। সেই সুবিমল শান্তিছাঁয়া বাৰভূঞাইও পালে। কিন্তু, পালে কি হ'ব ? অত্য-পৰিমিত তাৰ ফল নধৰিলে। বৃটিচ দত্ত জ্ঞানৰ জ্যোতিত, ভাৰতৰ সকলো সভ্য অসভ্য জাতি, অইন কি আসামৰো প্ৰায় বিলাক পৰ্ব্বতীয়া জাতিয়েই,সভ্যতাৰ সোপানত খোপে খোপে উধাব লাগিছে। কিন্তু বাৰভূঞাই জ্ঞানৰ জ্যোতি বিচাৰি নেপাই, আসামৰ এন্ধাৰ চুকত পৰি আছে। বৰ্ত্তমান বাৰভূঞা বুলিলে আসামৰ কোনেও চিনি নেপাবহে খোজে। মাত্ৰ "ফটা হওঁক ছিটা হওঁক পাট ... ল, ভগা হওঁক ছিগা হওঁক ভূঞাৰ পোৱালি।" এই গুপ্ত মন্ত্ৰ শাবীয়েহে, বাৰভূঞাৰ অস্তিত্ব ৰাখিছে যেন বোধ হয়। এই দৰে যদি আৰু বছৰ-দিয়েকমান বাৰভূঞা জাতি শুই থাকে, নিশ্চয় তেওঁবিলাকৰ অস্তিত্ব "জহন্নামে" যাব। আমি এই খিনিতে নকৈ নোৱাৰোঁ, আসামৰ প্ৰায় সকলো জাতিয়েই বৃটিচ সিংহৰ বিশেষ দয়া উপভোগ কৰি ক্ৰমান্বয়ে উন্নতি কৰি আহিছে। বোধকৰোঁ, বাৰভূঞাৰ হৈ কোনো মাতোতা নাই কাৰণে, গবৰ্ণমেণ্টে বাৰভূঞালৈ পিঠি দিলে। বাৰ-ভূঞা যদিও আসামৰ এটি প্ৰধান জাতি, তথাপি তেওঁ-বিলাক আজি ৰজা প্ৰজা সকলোৰে আওহতীয়া হৈ আছে। ইমানতে যদি, দয়ালু বৃটিচ গবৰ্ণমেণ্টৰ সুদৃষ্টি বাৰভূঞাৰ ওপৰত পৰে, এটা লুমাব খোজা জাতি উদ্ধাৰ

হ'ব বুলি ক'ব পাৰোঁ। আমাৰ এই আশা পূৰ্ণ হ'ব বুলি গবৰ্ণমেণ্টৰ ফালে সতৃষ্ণ চকুৰে চাই ৰ'লোঁ।

---

২। সুমন্ত বা সুমন্ত :—মাতৃ লক্ষ্মীকুৱঁৰী মৃত্যু হোৱাত, ককায়েক শান্তানুৰে সৈতে ধৰ্ম্ম বিবাদ কৰি, ৰাজ্যৰ আশা পৰিত্যাগ কৰি, তেওঁ, সপৰিবাৰে ভটিয়াই, ৰামপুৰত বসতি কৰিলেগৈ। এওঁৰো, পূৰ্ব্বৰ সূৰ্য্যৰ বৰ অনুসৰি বাৰজন পুত্ৰ জন্ম হয়। কম্বজবৰ, ৰঘু, মুকুন্দ, কাদম্ব, সুৰথ, সুন্দৰ, সুসম, গৌৰ, বত্ন, মহাৰথ, লেপ আৰু কেপ। সুমন্ত বৰ বৈষ্ণৱ আছিল। এওঁ, হৰি কীৰ্ত্তনত প্ৰায় সৰহভাগ সময় কটাইছিল।

সৰু-বাৰভূঞা :—সুমন্তৰ বাৰজন পুত্ৰকে সৰু-বাৰভূঞা বোলে। সুমন্তৰ মৃত্যুৰ পাচত, পুতেক সকলে ৰামপুৰত কিছুদিন বসতি কৰি আছিল। এওঁবিলাকো পিতাকৰ দৰে বৰ বৈষ্ণৱ আছিল। এওঁবিলাকো ভাটী ৰামপুৰত বাৰভূঞা বুলি অভিহিত হৈছিল। যেনেকৈ উজনিত শান্তানুৰ ডালে বাহুবলেৰে বিখ্যাত হৈছিল; সেই দৰে, এওঁবিলাক তাত ধৰ্ম্মশাস্ত্ৰত বিখ্যাত হৈছিল।

ইতিমধ্যে উজনিৰ বাৰভূঞাৰ সৈতে আহোমৰ যুদ্ধ হয়। সেই যুদ্ধত বৰ-বাৰভূঞা সকল আহোমৰ হাতত হাৰি, বন্দী হোৱাত; তেওঁবিলাকৰ ভাৰ্য্যা সকলে, সূৰ্য্যদত্ত বীজমন্ত্ৰৰ তাম্ৰাক্ষৰী কল্পতৰু মহাশাস্ত্ৰক দূতৰ হাতে, যুদ্ধ

জয় হেতু, গোসানীক পূজা কৰিবলৈ, এওঁবিলাকলৈ দি পঠিয়ালে। তাম্ৰাক্ষৰী কল্পতৰু শাস্ত্ৰখনিত সকলো দেৱ দেবীৰ আৰু বিষ্ণুৰ পূজাৰ নিয়ম পদ্ধতি আৰু বীজমন্ত্ৰ লিখা আছে। সৰু-বাৰভূঞা সকলে, এই শাস্ত্ৰখন পাই, পূজা কৰিম বুলি, দূতক ফাকি দি পঠিয়াই দিলে। আৰু, তেওঁবিলাকে বিষ্ণু আৰাধনা কৰিবৰ কাৰণে, সেই শাস্ত্ৰখন গুপুতে থৈ দিলে। যেতিয়া বৰ-বাৰভূঞা আৰু আহোমৰ সন্ধি হৈ, মিলা-প্ৰীতি হ'ল; তেতিয়া, তেওঁবিলাকে মানুহ পঠিয়াই, সেই তাম্ৰাক্ষৰী কল্পতৰু শাস্ত্ৰখন খুজি পঠিয়ালে। কিন্তু, সৰু-বাৰভূঞা কৈ ফদে আসৈ মাতি, তাম্ৰাক্ষৰী শাস্ত্ৰখন ওভোটাই নিদিলে।

এনেয়ে পূৰ্ব্বৰ পৰা উভয়ৰ ভিতৰত ধৰ্ম্মবিবাদ আছিল; তাতে আকৌ এই শাস্ত্ৰখনৰ পৰা বিবাদ গুৰুতৰ হ'ল। ক্ৰমান্বয়ে বৰ-বাৰভূঞা সকলে, এওঁ-বিলাকক "দিগদাৰ" দিবলৈ ধৰিলে; অইন কি তেওঁ-বিলাকৰ লগত যুদ্ধ দিম বুলিও ভয় দেখুৱালে। ইপিনে দেশত শাক্তধৰ্ম্মৰ প্ৰতিপত্তি বেচি হোৱাত, ইয়াত থাকিব নোৱাৰোঁ যেন দেখি, তেওঁবিলাক অযোধ্যাৰ ফালে, ভটিয়াই এখন সৰু গাঁৱত বসতি কৰিলে গৈ। সেই সময়ত তাত বৈষ্ণৱ ধৰ্ম্মৰ প্ৰাদুৰ্ভাব বেচি আছিল। এওঁবিলাক তেৰশতিকাৰ মধ্য ভাগত ইয়াৰ পৰা যায়।

সৰু-বাৰভূঞা ফৈদ পাচত শাক্ত হৈছিল।

তাতো আমাৰ কন্বজবৰ আদি সৰু-বাৰভূঞা সকল ধৰ্ম্ম-শাস্ত্ৰ অধ্যয়ণত, সেই ঠাইত (১) বিখ্যাত হৈ উঠিল।

চণ্ডীবৰঃ—সৰু বাৰভূঞা সকলৰ লোকান্তৰৰ পাচত, তেওঁবিলাকৰ সতি সন্ততি, তাতে তুই তিনি পুৰুষমান আছিল। কিন্ত, তেওঁবিলাকৰ ধৰ্ম্ম চৰ্চ্চা ক্ৰমান্বয়ে কম হৈ আহিবলৈ ধৰিলে। এনেতে সেই দেশ মুছলমানে আক্ৰমন কৰাত, তেওবিলাক বঙ্গদেশৰ ফালে উজাই আহিল। তেতিয়া বঙ্গদেশৰ ৰজাৰ সৈতে, আসামৰ কমতাপুৰৰ ৰজাৰ সদ্ভাব থকাত, সেই সময়ত আসামলৈ কেবাঘৰো সদ্ ব্ৰাহ্মণ আৰু সদ্ কায়স্থ আহে। তেওঁ-বিলাকৰো জনদিয়েকমান মাতামহীৰ ভূমি চোৱাৰ উদ্দেশ্যে আসামলৈ আহে। কন্বজবৰৰ পৰি-নাতি চণ্ডীবৰ এওঁবিলাকৰ —"মুৰুব্বী" হৈ আহে। (২)

চণ্ডীবৰে কমতাপুৰৰ ৰজা তুৰ্লভনাৰায়ণৰ আগত পূৰ্ব্বৰ নিজ পৰিচয় দিয়াত, ৰজাই তেওঁক বাৰভূঞাৰ

(১)—কথিত আছে, কন্বজবৰৰ নাম অনুযায়ী, সেই সৰু গাঁওখানি পাচত কম্বোজপুৰ হ'ল।

(২)—সৰু বাৰভূঞা ফৈদৰ যি বিলাক সতি-সন্ততি বঙ্গদেশত আছিল, তেওঁবিলাকে তাতো ভূঞা নামে অভিহিত হৈছিল। প্ৰথমতে, তেওঁবিলাকৰ অৱস্থা তাত ভাল আছিল। পাচত কি হ'ল তাক জনা নেযায়।

সন্ততি বুলি চিনি পাই, খনদিয়েক মান গাঁৱৰ ওপৰত ভূঞা বা শাসনকৰ্ত্তা পাতি দিলে। (১) অৱশেষে, বাকী কিজনকো সেইদৰে ভূঞা পাতি দিছিল। কিন্তু, তেওঁবিলাক বাৰভূঞাৰ সন্ততি নাছিল। চণ্ডীবৰে, পূৰ্ব্বে নিয়া তাম্ৰাক্ষৰী শাস্ত্ৰখন আসামলৈ লগত লৈ আহিছিল। ৰজা, প্ৰজা সকলো শাক্তধৰ্ম্মৰ অৱলম্বী হোৱাত, চণ্ডীবৰেও শাক্তধৰ্ম্ম লবলৈ বাধ্য হ'ল।

মহাপুৰুষ শ্ৰীশঙ্কৰদেউ ঃ—এখেত এজন আসামৰ মহাকবি আৰু বৈষ্ণব ধৰ্ম্ম প্ৰচাৰক। চণ্ডীবৰৰ মৃত্যুৰ পাচত তিনি চাৰি পুৰুষৰ অন্তৰত কুসুম্বৰৰ জন্ম হয়।—এওঁ কুসুম্বৰৰ একমাত্ৰ পুত্ৰ। এওঁৰ সৰুৰ পৰা বৈষ্ণৱ ধৰ্ম্মলৈ মন আছিল। শঙ্কৰদেউ যেতিয়া পঢ়ি শুনি সংস্কৃত বিদ্যাত এজন পণ্ডিত হৈ উঠিলে; তেওঁ, তেতিয়া পূৰ্ব্বৰ বৈষ্ণৱ ধৰ্ম্মলৈ চকু দিলে। এনেতে, এওঁ তাম্ৰাক্ষৰী শাস্ত্ৰ খন পাই, তাৰ পৰা বিষ্ণুৰ অতি গুঢ় তথ্য উলিয়াই, নানাবিধ ধৰ্ম্ম শাস্ত্ৰ অধ্যয়ন কৰি, শাক্ত ধৰ্ম্মতকৈ যে বৈষ্ণৱ ধৰ্ম্ম সহজ তাৰ

(১)—কমতাপুৰৰ ৰজাই, চণ্ডীবৰক "ভূঞা" পতাৰ বাবে; বহুতে তেওঁক বাকী কিজন ৰজাই পতা "ভূঞাৰ" শাৰীত ধৰিলৈ, তেওঁৰ ডালৰ ৺শঙ্কৰদেউক তেওঁবিলাকৰ শাৰীত টানি নি সুমাই লৈছে। কিন্তু, বাৰভূঞা বুৰঞ্জী মতে, চণ্ডীবৰ, শঙ্কৰদেউ, সকু বাৰভূঞাৰ কৈদৰ কম্বজবৰৰ ডালৰ।

বহুত মত বাহিৰ কৰিলে; আৰু আসামত ভাগৱতী বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰিলে। অৱশ্যে, এওঁ এই ধৰ্ম্ম প্ৰচাৰ কৰোঁতে, ৰজা, প্ৰজা উভয়ৰ পৰা বহুত লাঞ্ছনা ভুগিবলৈ পাইছিল। কিন্তু, মহাপুৰুষৰ তেজৰ আগত, সকলোবিলাক নাশ হৈ, তেওঁৰ জীবনৰ চৰম উদ্দেশ্য সাৰ্থক হ'ল। আসামত, এওঁ এটি নবযুগ গঢ়ি থৈ গল। এওঁৰ স্নিগ্ধ আৰু পবিত্ৰ ভাগৱতী ধৰ্ম্ম আজি প্ৰত্যেক অসমীয়াৰ হৃদয় মন্দিৰত বিকশিত হৈ আছে। এওঁ, কেবাবাৰো তীৰ্থ ভ্ৰমণ কৰিছিল।—শঙ্কৰদেৱৰ জীবন চৰিত্ৰ কেবাজনো ডাঙৰ ডাঙৰ পণ্ডিতে লিখি থৈ গৈছে। তাত এওঁৰ জীবনী বাহুল্যৰূপে পোৱা যায়। (১)

যদিও, মহাপুৰুষ শঙ্কৰদেৱৰ সৰুতে পিতৃমাতৃ বিয়োগ হৈছিল; তত্ৰাছও এওঁৰ কৰ্ত্তব্যত একো ব্যাঘাত নহৈছিল। এওঁৰ এই মহান জ্ঞানৰ আবিৰ্ভাব দেখি, আজি কালিও বৈষ্ণৱবৃন্দে, এওঁক অৱতাৰী পুৰুষ বুলি চৰ্চ্চা কৰে। এওঁৰেই আসামত সত্ৰ সভাৰ নিয়ম উলিয়াই থৈ গৈছে। আৰু, এওঁ, কীৰ্ত্তন, ভাগৱত আদি কেবাখানিও ধৰ্ম্মগ্ৰন্থ লিখি থৈ গৈছে। এওঁৰ, মহাপুৰুষ মাধৱদেউ আদি

---

(১) বৰ্ত্তমান, স্বনাম প্ৰসিদ্ধ সুলেখক শ্ৰদ্ধেয় শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াই, এখনি "মহাপুৰুষ শঙ্কৰদেৱ" গ্ৰন্থ উলিয়াইছে।

অনিৰুদ্ধদেৱ ৺দীনজয় সত্ৰ স্থাপন কৰোঁতা ।

কেবা জনো প্ৰিয় শিষ্য আছিল। সেই সময়ৰ বিদ্বান আৰু পণ্ডিত সকলে, এওঁৰ শিষ্যত্ব গ্ৰহণ কৰিবলৈ হাবিয়াস কৰি বিচাৰি ফুৰিছিল। প্ৰথমতে, কিছুমান ব্ৰাহ্মণ পণ্ডিতে এওঁৰ বিপক্ষে থিয় হৈছিল ; কিন্তু, পাচত বাক্-যুদ্ধত বলে নোৱাৰি, তেওঁৰ মতাবলম্বী হবলৈ বাধ্য হৈছিল।

৺দীনজয় সত্ৰ স্থাপন কৰোতা অনিৰুদ্ধদেৱ, শঙ্কৰদেৱৰ সম্বন্ধত ভত্তিজাক (১) আছিল। প্ৰথমতে এওঁ, মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ প্ৰধান ভক্ত আছিল ; পাচত; উভয়ৰ ভিতৰত, তাম্ৰক্ষৰী শাস্ত্ৰৰ পৰা মনোবাদ হৈ, অনিৰুদ্ধদেৱ, তেওৰ লগৰ পৰা অঁতৰি মতকৰ ৰাজ্যলৈ গল। তাতে তেওঁ, সত্ৰ সভা পাতিলেগৈ।

১৪৪৯ খৃঃ-আব্দত শ্ৰীশঙ্কৰদেৱৰ জন্ম হয় ; আৰু ১৫৬৯ খৃঃ আব্দত মৃত্য হয়। এওঁ ১২০ ছ-কুৰি বছৰ জীয়াই আছিল।—মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ,আজি বহুদিনৰ আগেয়ে মৃত্যু হ'ল হয় , কিন্তু, এওঁৰ পবিত্ৰ স্মৃতি, প্ৰতিদিনে উষ-

---

(১)—অনিৰুদ্ধ দেৱে, তাম্ৰাক্ষৰী শাস্ত্ৰখন লুকাই থৈ, শঙ্কৰ দেৱৰ সৈতে বিবাদ কৰি, তেওঁৰ লগৰ পৰা আতৰি গৈ, দূৰত সত্ৰ কৰিলে। আৰু তেওঁ, তাত ধৰ্ম্মপ্ৰচাৰ কৰিবলৈ ধৰিলে। পাচত, তেওঁৰ ধৰ্ম্ম আৰু শঙ্কৰদেৱৰ ধৰ্ম্ম বিভিন্ন বুলি জনা যায়।

কিৰণৰ লগে লগে প্ৰত্যেক অসমীয়াৰ ঘৰে ঘৰে প্ৰকাশিত হৈ আছে।

সৰু বাৰভূঞা ফৈদৰ শেষ অ.স্থা,ঃ—

· মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ জন্মৰ আগতে, সৰু বাৰভূঞা ফৈদৰ সন্ততি সকলে, কোচ ৰজা আৰু কমতাপুৰৰ ৰজাৰ অধীনত, কোনো কোনো গাঁৱৰ ভূঞা বা শাসনকৰ্ত্তা আৰু অন্যান্য ৰাজকীয় কামত আছিল। কিন্তু, যেতিয়া শ্ৰীশঙ্কৰদেৱে দেশত ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ ধৰিলে, তেতিয়া তেওঁবিলাকে শ্ৰীশঙ্কৰদেৱৰ লগ লাগিলহি। আৰু বহুতে' মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ আজ্ঞামতে একোখনি সত্ৰৰ ধৰ্ম্মাচাৰ্য্য হৈ বহিলে। এওঁবিলাক ভূঞাৰ সলনি মহন্ত খিতাপেৰে বিভূষিত হ'ল। এওঁবিলাকৰ যি দুজন এজন পাচলৈ বাকী আছিল; তেওঁবিলাকেও, শেহত মহন্ত খিতাপ লৈ শিষ্য ভজাবলৈ ধৰিলে। এতিয়া সৰু বাৰভূঞা ফৈদৰ যি সতি-সন্ততি আছে গৈ, সকলোয়েই মহন্ত নামেৰে পৰিচয় দিয়ে।

# সামৰণি ।

বাৰভূঞাসকল পূৰ্ব্বে জাতিত ক্ষত্ৰিয় আছিল। এওঁ-বিলাক, কালক্ৰমত, আসমত বৈশ্য আৰু শূদ্ৰ আদি জাতিৰ ছোৱালী বিবাহ কৰাই, তেওঁবিলাকৰ লগত মিহলি হৈ গ'ল। তেতিয়াৰ পৰা, বাৰভূঞাসকল, পূৰ্ব্বৰ ক্ষত্ৰিয়ৰ সলনি, কায়স্থ বুলি পৰিচয় দিবলৈ ধৰিলে। অন্থ পৰিমিত, পূৰ্ব্বৰ দৰে, বাৰভূঞাসকলৰ নিয়ম, আচৰণ, আৰু বৈবাহিক সম্বন্ধ চলি আহিছে। আৰু বাৰভূঞাৰ সতি-সন্ততি বিলাকে এতিয়ালৈকে উপনয়ন কৰি আছে।

বাৰভূঞাৰ কোনো সতি-সন্ততি জাত্যান্তৰ হ'লে, বা বিধৰ্ম্মী হ'লে, তেওঁবিলাকক বাৰভূঞাৰ জাতীয় ধৰ্ম্মৰ পৰা পতিত হোৱা বুলি ধৰা যায়। কাৰণ, পূৰ্ব্বৰ চলিত ৰীতি মতে, তেওঁবিলাকে জাতীয় মান আৰু ধৰ্ম্ম অক্ষুণ্ণ কৰি ৰাখিব নোৱাৰিলে।

বাৰভূঞাৰ, ধোবা, তামুলী, কমাৰ, ডুলীয়া আৰু ৰাজ্যৰ ৰাজকীয় কামত বহুত বিষয়া আৰু সাধাৰণ খেলৰ মানুহ আছিল। বৰ্ত্তমান বাৰভূঞা জাতি দুৰ্ব্বল দেখি, সেই বিলাকেও বাৰভূঞাৰ সন্ততি বুলি চিনাকি দিব খোজে। অইন কি আহোম ৰজাৰ কাড়ী বিষয়া বিলাকে

বৰ্ত্তমান বাৰভূঞাৰ অৱস্থা শোচনীয়।

বাৰভূঞা সকল ক্ষত্ৰিয় আছিল।

যেনে ; বড়া, শইকীয়া, হাজৰিকা, খাতোৱাল আৰু অন্যান্য নাম গুৰি নাইকিয়া মানুহেও বাৰভূঞাৰ শাৰীলৈ উঠিব খোজে। কি বিষম দৃশ্য ? তেওঁবিলাকে এইটো ভাবি নেচায় যে, বাৰভূঞাসকল কাড়ী বা কোনো ৰজাই পতা ভূঞা নহয়। বাৰভূঞা এটি স্বতন্ত্ৰ জাতি। আঁসামৰ পাঁচোটা ৰাজবংশৰ ভিতৰত বাৰভূঞাৰ নামো আছে (১ ।—সামৰপিত, আমি বিশেষ একো কব নোখোজোঁ। বৰ্ত্তমান বাৰভূঞাসকলৰ আচাৰ-বিচাৰ জন সমাজত জ্ঞাত আছে। আমি এতিয়া সৰল আৰু পবিত্ৰ ভাবেৰে স্বদেশ, স্বজাতি, ৰজা আৰু পৰমেশ্বৰৰ ওচৰত আন্তৰিক, সম্ভাষণ জনাই কৃতজ্ঞ হওঁ, আঁহা।

---

(১) জোৰহাটত, "বাৰভূঞা সন্ততিৰ সন্মিলনী সভা" এথনি বহি আহিছে। তাত বাৰভূঞাৰ বাৰোটা ডালৰ সন্ততিৰ নাম পোৱা গৈছে।

অন্ত।

এই কিটাপ পোৱাৰ ঠাই,

দি আসাম পাবলিছিং হাউস।

কালী বিল্ডিং

জোৰহাট।

---

অসমীয়া ৰাইজে ইয়াৰ একখানি হাতত লোৱা যুগুত; বিশেষত বাৰভূঞা মাত্ৰই।

সকলো ঠাইতে এজেণ্ট আবশ্যক।

# নিবেদন

দিনে দিনে শিক্ষাবিস্তাৰৰ লগে লগে আমাৰ গ্ৰন্থকাৰ আৰু পাঠকৰ সংখ্যা বাড়িছে। কিন্তু, কিতাপ উলিয়াৰ তেনেকুয়া কোনো স্থবিধা ন থকাত আমাৰ সাহিত্যৰ বিশেষ উন্নতি হোয়া নাই। এই মহৎ কামত সাধ্যমত সহায় কৰিবৰ কাৰণ, এই কিতাপৰ দোকান খোলা হৈছে।

শিক্ষিত সমাজৰ সহায় আৰু মৰম আমাক এক মাত্ৰ ভৰসা। আশা কৰো সকলোয়ে আমাক এই কামত উৎসাহ দি বাধিত কৰিব।

প্ৰত্যেক গ্ৰন্থকাৰককে আমি সবিনয়ে অনুৰোধ কৰি কওঁ, তেনেও সকলৰ যিবিলাক মুদ্ৰিত কিতাপ আছে, সেই বিলাক যেন বিক্ৰিৰ কাৰণে আমাৰ দোকানত থয়; বা কোনো কিতাপ উলিয়া বলৈ থাকিলে আমাক প্ৰকাশ কৰিবলৈ ভাৰ দিয়ক। আমি সকলো প্ৰকাৰ স্থলিখিত কিতাপ উলিয়াবলৈ প্ৰস্তুত আছো। স্থন্দৰ ছপা আৰু পৰিপাটিকৈ বন্ধাত আমি বিশেষ যত্নৰে সৈতে চকু ৰাখিম।

কিতাপ বিক্ৰিৰ স্থবিধাৰ্থে আমি বিজ্ঞাপনে জাননী আদিৰ বিশেষ বন্দবস্ত কৰিছো।

ইয়াৰ বাহিৰে জানিবলৈ হ'লে আমালৈ লিখক।